2010

ASSAMESE

FIFTH PAPER

(New Syllabus)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

যি কোনো পাঁচোটা প্ৰশ্নৰ উত্তৰ কৰিব লাগিব

১। কৃষ্টিৰ পৰিমাৰ্জনৰ জৰিয়তে সংস্কৃতিৰ সৃষ্টি হয় বুলি কোৱা হয়। বৰ্তমান আমাৰ সমাজত প্ৰচলিত ব'হাগ বিহু অনুষ্ঠানক (ধৰ্মীয় কৃত্য, গীত-পদ-নাম, নাচ, পোছাক-পৰিচ্ছদ, অয়-অলংকাৰ আদিৰ সৈতে) তাহানিৰ ব'হাগ বিহু অনুষ্ঠানৰ পৰিমাৰ্জিত অৱস্থা বা ৰূপ আখ্যা দিব পাৰি নে নোৱাৰি, যুক্তিসহ আলোচনা কৰা। ১০+৬=১৬

২। পৰম্পৰাগত সংস্কৃতি কি কি কাৰণে পৰিবৰ্তিত হয়, অসমৰ পটভূমিত আলোচনা কৰা। ১৬

৩। সমাজতত্ত্ববিদসকলে ব্যৱহাৰ কৰি অহা 'শিষ্ট-অশিষ্ট' ধাৰা অসমৰ সমাজ আৰু সংস্কৃতিৰ পৰিপ্ৰেক্ষাত কিমানদূৰ গ্ৰহণযোগ্য, যুক্তিসহ আলোচনা কৰা। ৮+৮=১৬

৪। 'কিৰাত'সকল কোন? কি কাৰণে সেই নৃ-গোষ্ঠী বিশেষক 'কিৰাত' বোলে? বৰ্তমান 'কিৰাত'সকলক বুজাবলৈ কি অভিধা বা নাম প্ৰয়োগ কৰা হয়? তেওঁলোকৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে এটি সমীক্ষামূলক নিবন্ধ প্ৰস্তুত কৰা। ১+২+১+৬+৬=১৬

৫। "প্ৰাচীন কামৰূপ যে শক্তি-পূজাৰ কেন্দ্ৰ আছিল তাৰ স্পষ্ট প্ৰমাণ শিল্প-ভাস্কৰ্য্য-তাম্ৰলিপি, মৌখিক সাহিত্য, লিখিত সাহিত্য আদিৰ পৰা পোৱা যায়।" মন্তব্যটি বিচাৰ-বিশ্লেষণ কৰা। ১৬

৬। অসমীয়া মুখা-শিল্পৰ অতীত-বৰ্তমান আৰু ভবিষ্যত সম্পৰ্কে আলোচনা কৰা। এই প্ৰসঙ্গত সত্ৰীয়া মুখা-শিল্পৰ নিৰ্মাণ-কৌশল সম্পৰ্কেও আলোচনা কৰিবা। ১০+৬=১৬

৭। লোকপৰিৱেশ্য কলা কাক বোলে? লোকপৰিৱেশ্য কলাৰ উপাদানসমূহ কি কি? অসমৰ লোকনাট্য, ভাওনা, অংকীয়া নাট আদিৰ অভিনয় কলাৰ বিষয়ে এটি বিশ্লেষণমূলক নিবন্ধ লিখা। ৩+৩+১০=১৬

৮। অসমৰ লোক-উৎসৱক কি কি ভাগত ভগাই আলোচনা কৰিব পাৰি? নিজ নিজ অঞ্চলত প্ৰচলিত উৎসৱৰ সহায়ত বুজাই লিখা। ৬+১০=১৬

৯। অসমৰ বেজ-বেজালি বা অসমৰ জা-জলপান আৰু পানীয় সম্পৰ্কে এটি বহল আলোচনা আগবঢ়োৱা। ১৬

১০। তলৰ যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা : ৪×৪=১৬

দোতোৰা ; বেণু ; ব্ৰাংছি ; খ্ৰাম ; ছেং ; দুমদুম্ ; মাহুৰ ৰাগ ; মুখ বাঁশী ; তৌৰ্য্যত্ৰিক যন্ত্ৰ ; কৰপাট ; মাৰ্ছিয়া গীত ; গীতালু-গাহান।

***